# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন আজি নতুন দিল্লীলৈ আহিব।

২। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে।

৩। জল জীৱন অভিযানৰ অধীনত দেশৰ ১৫ কোটিৰো অধিক পৰিয়ালক নলযোগে খোৱা পানীৰ সংযোগ প্ৰদান কৰা হৈছে।

৪। প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগলে পদত্যাগ কৰিছে।

আৰু

৫। সমগ্ৰ দেশত আজি নৌসেনা দিৱস পালন কৰা হৈছে।

০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীলৈ আহিব। এই দুদিনীয়া ভ্ৰমণসূচীৰ অংশ হিচাপে ৰাষ্ট্ৰপতি পুটিনে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা সংস্কৃতি আদিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বিশেষ আৰু কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লগতে দুয়োগৰাকী নেতাক দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনাৰ সুযোগ দিব। ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজৰ এই বাৰ্ষিক সন্মিলন হৈছে কৌশলগত সহযোগিতাৰ দিশত সৰ্বোচ্চ প্ৰতিষ্ঠানগত আলোচনা। ইয়াৰ পূৰ্বে ভাৰত আৰু ৰাছিয়াত সলনাসলনিকৈ ২২ খন এনেধৰণৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছে। ৰাছিয়া আৰু ভাৰতৰ মাজত দীৰ্ঘদিনীয়া মিত্ৰতা আছে আৰু দেশ দুখনৰ মাজৰ এই সম্পৰ্ক হৈছে ভাৰতৰ বৈদেশিক নীতিৰ গুৰুত্বপূৰ্ণ স্তম্ভ। ২০০০ চনৰ অক্টোবৰত ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্ব বিষয়ক ঘোষণা পত্ৰ স্বাক্ষৰিত হোৱাৰ পিছৰে পৰা প্ৰায় সকলোবোৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সম্পৰ্কই বিশেষভাৱে গতি লাভ কৰিছে।

২০১০ চনৰ ডিচেম্বৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ সময়ত দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্বক বিশেষ আৰু অগ্ৰাধিকাৰমূলক কৌশলগত অংশীদাৰিত্বলৈ সুদৃঢ় কৰা হৈছিল। তদুপৰি ২০৩০ চনৰ ভিতৰত বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰি দ্বিপাক্ষিক বাণিজ্যক ১০০ বিলিয়ন ডলাৰলৈ

বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষত ভাৰত আৰু ৰাছিয়াৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যই প্ৰথমবাৰৰ বাবে ৬৮.৭ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন নীতি আৰু আঁচনি ৰূপায়ণৰ ফলত অঞ্চলটোত যোগাযোগসহ বিভিন্ন ক্ষেত্ৰত দ্ৰুত উন্নয়ন হৈছে। বাণিজ্যিক বিমান বন্দৰৰ সম্প্ৰসাৰণ, ছেমি কণ্ডাক্টৰ, ৰে'লৱে আৰু অন্য খণ্ডসমূহক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ মূল চালিকাশক্তি  বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সোণোৱালে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি-সম্প্ৰীতিয়ে অঞ্চলটোৰ পূৰ্ণ সম্ভাৱনাৰ সদ ব্যৱহাৰ নিশ্চিত কৰিছে।

০০০০০০০০০

জল জীৱন অভিযানৰ অধীনত দেশৰ ১৫ কোটিৰো অধিক পৰিয়ালক নলযোগে খোৱা পানীৰ সংযোগ প্ৰদান কৰা হৈছে। লোকসভাৰ প্ৰশ্নোত্তৰকালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত জল শক্তি মন্ত্ৰী চি আৰ পাটিলে এই কথা প্ৰকাশ কৰি কয় যে ৪ কোটিৰো অধিক পৰিয়ালক বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰি থকা হৈছে। তেওঁ কয় যে ২০১৯ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জল জীৱন অভিযান মুকলি কৰিছিল আৰু দেশৰ প্ৰতিটো বাসগৃহত নলযোগে খোৱা পানী যোগানৰ এয়া হৈছে অতি গুৰুত্বপূৰ্ণ প্ৰকল্প। কেন্দ্ৰীয় চৰকাৰে এই আঁচনি ৰূপায়নৰ বাবে হিমালয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহলৈ ৯০ শতাংশ পুঁজি প্ৰদান কৰিছে।

০০০০০০০০০

বিৰোধী পক্ষই তেওঁলোকে উত্থাপন কৰা বিষয়সমূহক লৈ আলোচনা কৰাৰ পৰা চৰকাৰ আঁতৰি ফুৰিছে বুলি অনা অভিযোগ কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই খণ্ডন কৰিছে। কংগ্ৰেছ দলৰ সদস্য তথা ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই উত্থাপন কৰা অভিযোগৰ প্ৰত্যুত্তৰত শ্ৰী নাড্ডাই আজি সদনত কয়, যে সংসদত যিকোনো বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু আৰু ই বিৰোধীয়ে দাবী কৰা বিষয়সমূহক লৈ আলোচনা কৰাৰ পৰা আঁতৰি ফুৰা নাই। শ্ৰী নাড্ডাই লগতে সংসদৰ যোৱাবাৰৰ অধিৱেশনত চৰকাৰে আলোচনাৰ বাবে সময় নিৰ্ধাৰণ কৰি দিয়া বুলি আৰু সদনত পূৰ্ণাংগ আলোচনা হোৱা বুলি স্পষ্ট কৰি দিয়ে।  সৰ্বদলীয় বৈঠকত ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ডেৰশ বছৰীয়া জয়ন্তীৰ লগতে ভোটাৰ তালিকাৰ সংশোধন সম্পৰ্কে অহা সপ্তাহত আলোচনাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

সমগ্ৰ দেশত আজি নৌসেনা দিৱস পালন কৰা হৈছে। নৌসেনা বাহিনীৰ সাফল্য আৰু ভূমিকাৰ স্বীকৃতিস্বৰূপে প্ৰতিবছৰে ৪ ডিচেম্বৰত এই দিৱস পালন কৰা হয়। ১৯৭১ চনত অপাৰেচন ট্ৰাইডেণ্টৰ অধীনত নৌসেনা বাহিনীয়ে আজিৰ দিনটোতে পি এন এছ খাইবাৰসহ পাকিস্তানৰ চাৰিখন জাহাজ ধ্বংস কৰিছিল। এইবেলি কেৰালাৰ তিৰুৱনন্তপুৰমৰ ষণমুগম তীৰত আকৰ্ষণীয় প্ৰদৰ্শনেৰে নৌসেনা দিৱস পালন কৰা হৈছে। এই আয়োজনে মহাসাগৰ উদ্যমৰ অধীনত  পছন্দৰ সুৰক্ষা সহযোগীৰ ভূমিকা পালন কৰাৰ প্ৰতি নৌসেনা বাহিনীৰ সংকল্প প্ৰতিফলিত কৰিছে।

নৌসেনা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে নৌসেনা বাহিনী, প্ৰাক্তন সৈনিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে বাণিজ্যিক পথসমূহৰ সুৰক্ষাৰ পৰা সামুদ্ৰিক অৰ্থ ব্যৱস্থাৰ সৰলীকৰণ আৰু মানৱীয় অভিযানসমূহৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰালৈকে নৌসেনা বাহিনীয়ে অনুশাসন, কৰুণা আৰু দায়িত্বৰ পৰিচয় দি আহিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে তেওঁৰ বাৰ্তাত নৌ সেনা বাহিনীক দেশৰ সামুদ্ৰিক সুৰক্ষা, সতৰ্কতা আৰু ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতীক স্বৰূপ বুলি অভিহিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত আই এন এছ্ বিক্ৰান্ত নামৰ জাহাজখনৰ নৌসেনা বাহিনীৰ কৰ্মীসকলৰ সৈতে পোহৰৰ উৎসৱ দীপাৱলী পালনৰ কথা স্মৰণ কৰে আৰু এই অভিজ্ঞতাক অবিস্মৰণীয় বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতীয় নৌসেনা বাহিনী অভূতপূৰ্ব সাহস আৰু দৃঢ়তাৰ অন্য এটা নাম। নৌসেনা বাহিনীয়ে শেহতীয়াকৈ আত্মনিৰ্ভৰশীলতা আৰু আধুনিকীকৰণত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত দেশৰ সুৰক্ষা ব্যৱস্থা অধিক সুদৃঢ় হৈ পৰিছে।

কেন্দ্ৰীয় প্ৰতিৰক্ষা আৰু গৃহ মন্ত্ৰীয়েও নৌসেনা দিৱস উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ভাৰত মহাসাগৰৰ সৰ্ববৃহৎ নৌ শক্তি হিচাপে নৌসেনা বাহিনীয়ে সাহস, বীৰত্ব, সতৰ্কতা আৰু দৃঢ়তাৰে দেশৰ সামুদ্ৰিক স্বাৰ্থ ৰক্ষা কৰি আহিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নৌসেনা বাহিনীক দেশৰ গৌৰৱৰ অভেদ্য দুৰ্গ বুলি মন্তব্য কৰে। তেওঁলোকে অসীম সাহস আৰু বীৰত্বৰে প্ৰতিটো ঢাবুকিৰ পৰা দেশক ৰক্ষা কৰি আহিছে আৰু সামুদ্ৰিক পথেৰে দেশৰ বিকাশ সুনিশ্চিত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে নৌ সৈনিকসকলে চৰম বলিদানেৰে লিখা দেশপ্ৰেমৰ সোণালী গাঁথাই ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। তেওঁ লগতে ৰাষ্ট্ৰৰ হকে প্ৰাণ আহুতি দিয়া শ্ৰমিকসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় চিতা দিৱস উপলক্ষে বন্যপ্ৰাণী প্ৰেমী লোক আৰু চিতা বাঘৰ সুৰক্ষাৰ বাবে কাম কৰা সংৰক্ষণবিদ সকললৈ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে চিতা বাঘক পৃথিৱীৰ এটা অন্যতম গুৰুত্বপূৰ্ণ প্ৰাণী বুলি উল্লেখ কৰাৰ লগতে ৩ বছৰ পূৰ্বে আৰম্ভ কৰা চিতা প্ৰকল্পৰ সফলতাৰ কথা সুঁৱৰে। তেওঁ কয় যে প্ৰকৃতিৰ এই সুন্দৰ প্ৰাণীবিধৰ সুৰক্ষা তথা ইয়াৰ উপযোগী পৰিস্থিতি তন্ত্ৰৰ পুনৰুদ্ধাৰৰ লক্ষ্যৰে চিতা প্ৰকল্প আৰম্ভ কৰা হৈছিল। তেওঁ লগতে কয় যে হেৰাই যোৱা এনে প্ৰাণীবোৰৰ বাবে উপযোগী পৰিৱেশৰ  পুনৰোদ্ধাৰ কৰা আৰু আমাৰ জৈৱ বৈচিত্ৰ শক্তিশালী কৰাৰ বাবেও এইয়া আছিল এটা গুৰুত্বপূৰ্ণ প্ৰচেষ্টা। বৰ্তমান চিতা পৰ্যটন বৃদ্ধি হোৱাক লৈও প্ৰধানমন্ত্ৰীয়ে আনন্দ প্ৰকাশ কৰে। তেওঁ লগতে চিতা বাঘৰ সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ সমৰ্থনৰ শলাগ লৈ কয় যে সকলোৰে সহগযোগিতামূলক প্ৰচেষ্টা, বিশেষকৈ চিতা মিত্ৰৰ অকুণ্ঠ সহযোগিতাৰ বাবে এই ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা গৈছে।

ooooooooo

প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগলে পদত্যাগ কৰিছে। তেওঁ যোৱা ২ ডিচেম্বৰত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়লৈ পদত্যাগ পত্ৰ পঠিয়াইছিল আৰু আজি মন্ত্ৰালয়ে এই পদত্যাগ পত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯৮৮ চনৰ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ জ্যেষ্ঠ বিষয়া নৱনীত ছেহগলক ২০২৪ চনৰ মাৰ্চ মাহত প্ৰসাৰ ভাৰতীৰ অধ্যক্ষৰূপে নিযুক্তি দিয়া হৈছিল। অৱশ্যে তেওঁ পদত্যাগ সম্পৰ্কে কোনো কাৰণ ব্যক্ত কৰা নাই।

000000000

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণ দেৱীয়ে আজি নতুন দিল্লীত ভাৰতক বাল্য বিবাহমুক্ত দেশ হিচাপে গঢ়ি তোলাৰ বাবে ১০০ দিনীয়া সজাগতা অভিযান আনুষ্ঠানিকভাৱে মুকলি কৰিব। দিল্লীক বাল্য বিবাহমুক্ত ভাৰত অভিযানৰ এবছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সজাগতা অভিযানৰ অধীনত বাল্য বিবাহ ৰোধ কৰাৰ সংকল্প গ্ৰহণ কৰা হ'ব আৰু দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰেৰণাদায়ক কাহিনীসমূহক আলম হিচাপে লৈ নিৰ্মাণ কৰা চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। এই অভিযানৰ জৰিয়তে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে সমগ্ৰ দেশৰ জনসাধাৰণ, প্ৰতিষ্ঠান আৰু নেতৃস্থানীয় লোকসকলক এই আন্দোলনত যোগদান কৰিবলৈ আৰু বাল্য বিবাহমুক্ত ভাৰত গঢ়ি তোলাৰ বাবে আহ্বান জনাব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়তী ৰাজ, গ্ৰামোন্নয়ন আৰু শিক্ষা মন্ত্ৰালয়ৰ ঘনিষ্ঠ সহযোগিতাৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

000000000

সমাপ্ত